পাঠ ৮

# গাই গাই যাওঁ



H6X1B5

ৰ'দালি এ ৰ'দ দে
আলি কাটি জালি দিম
বৰ পীৰা পাৰি দিম
তাতে বহি বহি ৰ'দ দে।
ৰ'দালিৰ মাকৰ তিনিডালি চুলি
ৰ'দ গৈ পালেগৈ বিৰিণাৰ তলী।



হুৰ্ হুৰ্ বতা চৰাই
মোৰ ধান নাখাবি
তোক দিম গোট কৰাই।
ধানো খাম
চাউলো খাম
দুয়ো নাচি-বাগি
ঘৰলৈ যাম।

ঢোল বায় ক'ত — ৰতনপুৰত
খোল বায় ক'ত — ৰতনপুৰত
কোৰাই কলে-কলায়, বান্দৰী নচুৱায়
বাঁহবাৰী, বাঁহবাৰী, গোসাঁইঘৰত।





ৰ'দো দিছে বৰষুণো দিছে
খঁৰা শিয়ালৰ বিয়া
ঘনচিৰিকাই তামোল কাটে
আমাকো এখন দিয়া।

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া




**গীতকেইফাকি স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে দলত ভাগহৈ গোৱা। ভালকৈ নোৱাৰিলে জনাসকলৰ পৰা শিকি লৈ বাৰে বাৰে অনুশীলন কৰিবা।**




**উত্তৰ দিয়া।**

(ক) ৰ'দালিক বহিবলৈ কি পীৰা পাৰি দিম বুলি কৈছে?

(খ) ৰ'দালিৰ মাকৰ কেইডালি চুলি?

(গ) বতা চৰায়ে ধান নাখালে কি খাব?

(ঘ) ৰতনপুৰত কি কি বাদ্য বজায়?

(ঙ) খঁৰা শিয়ালৰ বিয়াত কোনে তামোল কাটে?



*☞ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে গাব পৰাটো নিশ্চিত কৰিব।*

*☞ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

বৃত্তাকাৰে থিয় হৈ প্ৰত্যেকেই গীতকেইটি এফাকিকৈ গাই যোৱা; য'ত শেষ হ'ব তাতে আকৌ প্ৰথমৰ পৰা আৰম্ভ কৰিবা। এইদৰে ভালকৈ গাবলৈ নিশিকালৈকে গাই থাকিবা।

শেষৰ ধ্বনি মিল থকা শব্দ পাঠৰ পৰা বিচাৰি চোৱা। উদাহৰণত দেখুওৱাৰ দৰে দুটাকৈ শব্দ লিখা।

| | | |
|---|---|---|
| উদাহৰণ - আলি → | চুলি → | জালি |
| চৰাই → | | |
| খাম → | | |

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

শব্দ গঠন কৰোঁ আহা

উদাহৰণ— ৰ'দ — ৰ'দালি

(ক)

| তৰা | বেজ | ল'ৰা | খৰ |
|---|---|---|---|
| | | | |

(খ)

বিৰিণা, মাহ, কঠিয়া, সৰিয়হ + তলী

- বিৰিণাতলী
-
-
-

কলহৰ, চৰুৰ, বাকচৰ, কেৰাহীৰ + তলি

- কলহতলি
-
-
-


টোকা- তলি — পাত্ৰ বা আন কোনো বস্তুৰ তলৰ ভাগ

তলী — খেতি কৰা মাটি (যি শস্যৰ খেতি হয়, তাৰ নামৰ পাছত থাকে।)

☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

(গ)

| | | |
|---|---|---|
| চুলি | ডালি | |
| | কোছা | চুলিকোছা |
| | টাৰি | |
| | খিনি | |
| | কেইডাল | |



## জানো আহা

কবিয়ে ৰ'দালিক ৰ'দ দিবলৈ খাটনি ধৰিছে, ৰ'দ দিলে কবিয়ে ৰ'দালিক কিছুমান বস্তু দিম বুলি কৈছে। দিবহে, এতিয়ালৈকে কিন্তু দিয়া নাই। অৰ্থাৎ দিয়া কামটো পিছত কৰিব। পদ্যটোত পিছলৈ কৰা বা হোৱা বুজাবলৈ- **দিম, খাম, যাম** আদি শব্দ ব্যৱহাৰ হৈছে। এইবোৰ **ভৱিষ্যত কাল বুজোৱা শব্দ।**

ঠিক তেনেদৰে — **যা - যাম, যাবা, যাবি, যাব**

**কৰ - কৰিম, কৰিবা, কৰিবি, কৰিব**

## ভৱিষ্যত বুজোৱা শব্দ লিখোঁ আহা

**উদাহৰণ**

| | | | | |
|---|---|---|---|---|
| দে | দিম | দিবি | দিবা | দিব |
| খা | | | | |
| যা | | | | |
| কাট | | | | |

*দলত আলোচনা কৰি এই ধৰণৰ শব্দ সাজিবলৈ দিব। যিটো দলে বেছি শব্দ সাজিব পাৰিব সেই দলটোৱেই বিজয়ী হ'ব।*

*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

পদ্যফাকি নিজৰ মতে লিখোঁ আহা







**কবিৰ মতে**

হুৰ্ হুৰ্ বতা চৰাই
মোৰ ধান নাখাবি
তোক দিম গোট কৰাই।
ধানো খাম
চাউলো খাম
দুয়ো নাচি-বাগি
ঘৰলৈ যাম।

**মোৰ মতে**

হুৰ্ হুৰ্ পাৰ চৰাই
মোৰ মাহ নাখাবি
তোক দিম ——
—— খাম
—— খাম
দুয়ো ——
বাহলৈ যাম

কি গীতৰ লগত কি কি বাদ্য বজায় মিলাই নিজৰ বহীত লিখোঁ আহা

| | | | |
|---|---|---|---|
| ঢোল  | একতাৰা  | সুতুলি  | গগনা  |
| সাৰিন্দা  |   | | বিহুঢোল  |
| বাঁহী  | | | বৰঢোল  |
| দোতাৰা  | | | খাম  |
| পেঁপা  | খোল  | টকা  | ভোৰতাল  |

*স্থানীয় গীত আৰু বাদ্য-যন্ত্ৰৰ লগত পৰিচয় কৰাব।*

*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*


## জানো আহা

তলৰ শব্দবোৰ পঢ়ি চাওঁ আহা। ইয়াৰে **বাঁওফালৰ শব্দকেইটাই এটাক বুজাইছে আৰু সোঁফালৰ শব্দকেইটাই এটাতকৈ বেছি বুজাইছে।**




| বাঁওফাল | সোঁফাল |
|---|---|
| বগলীটো | বগলীজাক |
| ফুলটো | ফুল এথোপা |
| কলটো | কলথোক |
| ছাগলীটো | ছাগলীপাল |









## বহুত বুজাবলৈ কি কি শব্দ ক'ত ব্যৱহাৰ হয় জানো আহা



| | | |
|---|---|---|
| বিলাক | — | মানুহবিলাক, কিতাপবিলাক |
| বোৰ | — | ল'ৰাবোৰ, গৰুবোৰ |
| সকল | — | ভকতসকল, আইসকল |
| পাল | — | ছাগলীপাল, ভেড়াপাল |
| দল | — | সৈন্যদল, ল'ৰাদল |
| থোপা | — | ফুলথোপা, আঙুৰথোপা |



## গ — জ্ঞান সম্প্ৰসাৰণ

**উত্তৰ দিয়া।**

(ক) ৰ'দালিক ৰ'দ দিবলৈ খাটনি ধৰিছে— ৰ'দ নিদিলে আমাৰ কি কি অসুবিধা হ'ব পাৰে?

(খ) ধান নাখালে চৰাইক গোট কৰাই দিব, তোমালোকে চৰাইক আৰু কি কি খাবলৈ দিব পাৰিবা?

(গ) ঢোল, খোল ৰতনপুৰত বায়; তোমালোকৰ অঞ্চলত কি কি বাদ্য বজায়?

(ঘ) খঁৰা শিয়ালৰ বিয়াত ঘনচিৰিকাই তামোল কাটে; আমাৰ বিয়াতো তামোল, পাণ কাটে। বিয়াত তামোল কটাৰ বাহিৰেও কি কি কটা, গোঁঠা আৰু সজোৱা দেখিছা?

**দলত বহি তলৰ পদ্য কেইফাকি পঢ়া। আঁচ-টনা শব্দৰ লগত মিলাই খালী ঠাই পূৰ কৰা।**

(ক) ৰঙচুৱা পাখিৰে
কণমানি চৰাই
চোতালত দিছে ধান মাহ
খোৱাহি পেট ..............।



(খ) অকণমানি ভণ্টিজনী
নাম তাইৰ হিয়া
ব'হাগ মাহৰ মাজভাগত
তাইৰ বায়েকৰ ............।

(গ) বৰদৈচিলা আহিল দেখোন
মেলি দীঘল চুলি
হালি জালি নাচিছে
নিম গছৰ ......................।



**ভাবা আৰু উত্তৰ দিয়া।**

(ক) বৰষুণ দিলে আমি কি কি কৰোঁ?

(খ) ধান আৰু চাউলৰ পৰা কি কি জলপান কৰা হয়?

**গীতটি ভালদৰে পঢ়া। ছবিত থকা নাচনীজনীয়ে কোনবিধ অলংকাৰ ক'ত পিন্ধিব কোৱা।**



হাতত মুঠি খাৰু
ডিঙিত জোনবিৰি
ঢোলবিৰি দুগ্‌দুগী বাজে,
কাণতে থুৰীয়া
আঙুলিত আঙঠি
ওলাই আহা নাচোনৰ সাজে।

**আঁচ টনা শব্দবোৰ কি কি ক্ষেত্ৰত ব্যৱহাৰ হয় জানি লোৱা**

(ক) আবেলি বেলিৰ জিলিঙনি ঘৰৰ মজিয়াত পৰিছে।

(খ) ধলপুৱা আকাশত বেলিৰ ৰেঙনি পৰিছে।

(গ) মেঘৰ গাজনি-ঢেৰেকনিত কাৰো মাত কোনেও নুশুনা হৈ পৰিছে।

(ঘ) বতাহৰ হোহোৱনিয়ে ৰাতিৰ পৰিৱেশ জয়াল কৰি তুলিছে।

(ঙ) নাৱৰীয়াই বঠা মাৰি নৈৰ পানীত খলকনি তুলিছে।

(চ) বহুৱাজনৰ বহুৱালি দেখি দৰ্শকসকলে খিল্‌খিলাই হাঁহিছে।

(ছ) ডেকাসকলে বিহুতলীত কাম-বন নকৰাকৈ টিঘিল্‌ঘিলাই ফুৰিছে।

## ঘ— প্ৰকল্প

- পুৰণি আলোচনী বা বাতৰি কাকতৰ পৰা বিভিন্ন চৰাইৰ ছবি সংগ্ৰহ কৰি ডাঠ কাগজত আঠা লগাই বেৰত ওলোমাই থ'ব পৰাকৈ তালিকা প্ৰস্তুত কৰা।
- ধাননিত বতা চৰাইৰ বাহিৰে ধান খাবলৈ আৰু কি কি চৰাই আছে তালিকা কৰা।